# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-OCT-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**-------------------**

ooooo

অসম আৰক্ষীৰ বিভিন্ন পদৰ পৰীক্ষাৰ চূড়ান্ত ফলাফলসমূহো কাইলৈ ঘোষণা কৰা হ'ব। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি বোৰ্ডৰ www.slprbassam.in ৱেবছাইটত কাইলৈ পুৱা চাৰে ১১ বজাত ফলাফলসমূহ উপলব্ধ হ'ব। কাইলৈ অসম আৰক্ষীৰ ১৪৪টা উপ-পৰিদৰ্শক পদ, অসম আৰক্ষী অনাতাঁৰ সংগঠনৰ ৭টা উপ-পৰিদৰ্শক পদ, অসম কামাণ্ডো বেটেলিয়নৰ ৫১টা উপ-পৰিদৰ্শক পদ আৰু ১৬৪টা কনিষ্টবল পদৰ লগতে অন্যান্য পদসমূহৰ কাৰণে আয়োজন কৰা পৰীক্ষাসমূহৰ ফলাফল উপলব্ধ হ'ব।

ইপিনে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় বৰ্গৰ ফলাফলসমূহ কাইলৈ পুৱা চাৰে ১০ বজাত ঘোষণা কৰা হ'ব। পৰীক্ষাৰ্থীসকলে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ সংশ্লিষ্ট ৱেবছাইটত গৈ তেওঁলোকৰ ফলাফলসমূহ লাভ কৰিব পাৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰিছে।

**বাইট (চি এম)**

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান নাৰী শক্তিক আত্মনিৰ্ভৰশীল কৰি তোলাৰ দিশত এটা আৰম্ভণি বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে আত্মসহায়ক গোটৰ সদস্যা সকলক লাখপতি বাইদেউলৈ উন্নীত কৰাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ধেমাজি জিলাৰ চিমেন চাপৰিত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্মসহায়ক গোটৰ মহিলাসকলক উদ্যমিতা পুঁজিৰ ধন বিতৰণ কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। অসমৰ নাৰী সমাজে ৰাজ্যত অৰ্থনৈতিক বিপ্লৱৰ সূচনা কৰিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ভৱিষ্যতে ৪০ লাখ মহিলাই ৮৫ হাজাৰ টকা পৰ্যন্ত উদ্যমিতা পুঁজি লাভ কৰিলে অসমৰ গ্ৰাম্য অৰ্থনীতিত নিশ্চিতভাৱে যুগান্তকাৰী পৰিৱৰ্তন আহিব। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে চৰকাৰে কৃষি, পশুপালন, হস্ততাঁত আৰু হস্তশিল্পকে প্ৰমুখ্য কৰি বিভিন্ন ক্ষেত্ৰত মহিলা উদ্যোগীৰ বিকাশৰ জৰিয়তে গ্ৰামাঞ্চলত জীৱিকাৰ বিকল্প সম্ভাৱনাৰ প্ৰসাৰ ঘটোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ড০ শৰ্মাই আজি এই আঁচনিৰ অধীনত জোনাই বিধানসভা সমষ্টিৰ ৩৬ হাজাৰ ৮৮৬ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। তেওঁ লগতে চৰকাৰী পলিটেকনিক প্ৰতিষ্ঠান আৰু আই টি আই কেন্দ্ৰসমূহক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে উন্নীতকৰণ আঁচনিৰ অধীনত ধেমাজি পলিটেকনিক প্ৰতিষ্ঠানত নিৰ্মাণ কৰা মেৰামতি কেন্দ্ৰ আৰু প্ৰযুক্তি গৱেষণাগাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ড০ শৰ্মাই ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অধীনত পঞ্চদশ বিত্তীয় আয়োগৰ স্বাস্থ্য অনুদান আঁচনিৰ পুঁজিৰে

ধেমাজি জিলাৰ চিমেন চাপৰি উপ-স্বাস্থ্য কেন্দ্ৰত ৩০ খন বিছনাযুক্ত সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ আধাৰশিলাও স্থাপন কৰে।

০০০০০

প্ৰাক্তন ৰে'ল ৰাজ্য মন্ত্ৰী ৰাজেন গোহাঁইয়ে আজি বিজেপিৰ সদস্য পদৰ পৰা পদত্যাগ কৰে। শ্ৰীগোহাঁইয়ে গুৱাহাটীৰ বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াক তেওঁৰ পদত্যাগ পত্ৰ দাখিল কৰে। দলত্যাগৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীগোহাঁইয়ে কয়, যে অটল বিহাৰী বাজপেয়ী, মূৰলী মনোহৰ যোশীৰ দৰে জ্যেষ্ঠ নেতাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁ বিজেপিত যোগদান কৰিছিল। বৰ্তমান সময়ত দলটোৰ কাম-কাজক লৈও তেওঁ ক্ষোভ প্ৰকাশ কৰে। ভৱিষ্যতে ৰাজনীতিত থাকিব নে নাথাকে সেই সন্দৰ্ভত পৰৱৰ্তী সময়তহে সিদ্ধান্ত ল'ব বুলি শ্ৰীগোহাঁইয়ে লগতে মন্তব্য কৰে।

০০০০০

জল জীৱন অভিযানৰ জৰিয়তে বৰপেটা জিলাত যোগান ধৰি অহা পানীৰ গুণগত মান আৰু ইয়াৰ অন্তৰ্গত আঁচনিবোৰৰ বৰ্তমান অৱস্থা সন্দৰ্ভত উত্থাপিত বহু অভিযোগ সংক্ৰান্তত আজি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৰপেটাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত জিলা পৰ্যায়ৰ এই সভাত কাৰ্যক্ষম হৈ থকা পানী যোগান প্ৰকল্পবোৰৰ বৰ্তমানৰ অৱস্থাৰ লগতে নিৰ্মাণ কাৰ্য অব্যাহত থকা প্ৰকল্পবোৰৰ কামৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। ইয়াৰ সমান্তৰালকৈ মাচুল সংগ্ৰহ, যোগান ধৰা পানীৰ গুণগত মান ৰক্ষা আদি ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে। বৈঠকত ৰাইজৰ অভিযোগবোৰৰ বুজ লৈ তাৰ নিষ্পত্তিৰ বাবে সিদ্ধান্ত লোৱা হয়। সৰুক্ষেত্ৰীৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ, দিগন্ত বৈশ্য আদিৰ লগতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা আৰু অন্যান্য বিষয়াবৰ্গ এই সভাত উপস্থিত থাকে।

০০০০০

আমিনগাঁৱত চলি থকা ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ আজি চতুৰ্থ দিনা ভাৰতে দক্ষিণ কোৰিয়াক হৰুৱাই ছেমি ফাইনেলত প্ৰবেশ কৰে। প্ৰথম ছেটত ভাৰতে ৪৪-৪৫ পইণ্টত দক্ষিণ কোৰিয়াৰ হাতত পৰাস্ত হৈ দ্বিতীয় ছেটত ৪৫-৩০ আৰু তৃতীয় ছেটত ৪৫-৩৩ পইণ্টত ধাৰাবাহিকভাৱে জয়লাভ কৰি ছেমি ফাইনেলত প্ৰবেশ কৰে। ছেমি ফাইনেলত প্ৰবেশ কৰাৰ লগে লগে বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতৰ বাবে এটা পদক নিশ্চিত হ'ল। কাইলৈ ছেমি ফাইনেলত ইণ্ডোনেছিয়া আৰু ভাৰত মুখামুখি হ'ব। উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে এই বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপত ভাৰতৰ পদক নিশ্চিত হ'ল।

০০০০০

সমাপ্ত